# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জগৎ প্ৰসাদ নাড্ডাই আজি তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰায় ১২ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা এই পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটোৱে ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু ৰোগীসকলক অধিক সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ১৮৭৬ চনত তদানীন্তন ইংৰাজ চৰকাৰৰ দিনত পগলা ফাটেক নামেৰে পৰিচিত হোৱা এই মানসিক চিকিৎসালয়খন স্থাপন কৰা হৈছিল। ১৯৮৯ চনত এই প্ৰতিষ্ঠানখনক লোকপ্ৰিয় গোপীনাথ বৰদলৈ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান ৰূপে নামকৰণ কৰা হয় আৰু ইয়াক অত্যাধুনিক মানসিক চিকিৎসা প্ৰতিষ্ঠানলৈ উন্নীত কৰা হয়। বৰ্তমান এই প্ৰতিষ্ঠানখনত ৩৭৬ খন বিছনাৰ সুবিধাৰে অত্যাধুনিক মনোৰোগ চিকিৎসাৰ ব্যৱস্থা আছে।

ইয়াৰ পাছত স্বাস্থ্যমন্ত্ৰী নাড্ডা পথযোগে মঙলদৈলৈ আহে। মঙলদৈত তেওঁ মঙলদৈ অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ হাস্পতালখনৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত তেওঁ মঙলদৈ নগৰৰ সমীপৰ গেৰীমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে। তেজপুৰ আৰু মঙলদৈৰ অনুষ্ঠানকেইটাত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু জ্যেষ্ঠ মন্ত্ৰীদ্বয় কেশৱ মহন্ত আৰু অশোক সিংহলেও সংগ দিয়ে। বিয়লিৰ ভাগত শ্ৰীনাড্ডা চাংসাৰিৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান আৰু উত্তৰ গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দুটাও পৰিদৰ্শন কৰে। আজিয়েই তেওঁ নতুন দিল্লীলৈ উভতি যোৱাৰ কথা আছে।

ooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ ভিতৰত এজনৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত শ্ৰমিকজন নেপালৰ উদয়পুৰ জিলাৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ বুলি চিনাক্ত কৰা হৈছে। নৌসেনাৰ ২১ জন ডুবাৰু, সেনাবাহিনী, এছ ডি আৰ এফ, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে বাকীকেইজন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰতিকুল বতৰকো নেওচি অভিযান চলাই আছে। খনিটোৰ ভিতৰৰ পৰা নিৰ্গত পানী নিষ্কাশনৰ বাবে কেইবাটাও শক্তিশালী পাম্প ব্যৱহাৰ কৰা হৈছে যদিও পানী এতিয়াও সম্পূৰ্ণকৈ উলিয়াই পঠিয়াব পৰা হোৱা নাই। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সম্ভেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত অত্যাধুনিক বিশেষ বাহন ব্যৱহাৰ কৰিছে। উদ্ধাৰকাৰী দলসমূহে অভিযানৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিশাৰ ভাগতো উদ্ধাৰকাৰ্য অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তিন কিল'ৰ খনি দুৰ্ঘটনাত পতিত শ্ৰমিকৰ উদ্ধাৰ কাৰ্যত কালিৰে পৰা ক'ল ইণ্ডিয়াৰ এটা দলেও অভিযান চলাই আছে।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান দুদিনীয়া অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ৰাজ্যৰ কৃষিমন্ত্ৰী আৰু বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। মন্ত্ৰী শ্ৰীচৌহানে মেঘালয়ৰ উমিয়ামত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ আঞ্চলিক কেন্দ্ৰৰ সোণালী জয়ন্তী সমাৰোহতো উপস্থিত থাকিব। এই সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুও উপস্থিত থকাৰ কথা।

কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গুৱাহাটীত আয়োজিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। উত্তৰ পূৰ্বাঞ্চলৰ কৃষি, গ্ৰামোন্নয়ন আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণৰ পৰ্যালোচনাৰ দৃষ্টিকোণৰ পৰা মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ তাৎপৰ্যপূৰ্ণ বুলি বিবেচনা কৰা হৈছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰনজিত কুমাৰ দাসে আজি বজালিত ২৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ৮খন দলং আৰু তিনিটা পথৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে নিৰ্মাণ কৰিবলগীয়া পথ আৰু দলংকেইখনৰ নিৰ্মাণ গতি লেহেমীয়া হ'লে সংশ্লিষ্ট ঠিকাদাৰ আৰু অন্যান্য জড়িতসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰো ঘোষণা কৰে।

সমাগত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ন্যায়ালয়ৰ সেউজ সংকেত পালেই অতি শীঘ্ৰে নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব। যোৰহাটত শংকৰ সংঘৰ অধিবেশন আৰু পাঠশালাৰ অসম সাহিত্য সভা অধিবেশনৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হোৱাৰ বিষয়েও মন্ত্ৰী শ্ৰীদাসে আজিৰ অনুষ্ঠানত অৱগত কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডঃ শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০

সমাপ্ত